# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 19-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি অযোধ্যা ভ্ৰমণ কৰিব।

২। চৰকাৰে টোল ওজৰ-আপত্তি আৰু ডিজিটেল বিধি বলৱৎকৰণ শক্তিশালী কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ঘাইপথ মাছুল বিধি ২০২৬ সংশোধনৰ কাৰণে অধিসূচনা জাৰি কৰিছে।

৩। নিৰ্বাচন আয়োগে পশ্চিমবংগত প্ৰশাসন আৰু আৰক্ষী বিষয়াসকলৰ ব্যাপক ৰদ বদল কৰিছে।

৪। সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই কাটাৰৰ সৈতে সহযোগিতাৰে ইৰানে স্থাপন কৰা দক্ষিণ পাৰ্চ গেছ ক্ষেত্ৰত হোৱা শেহতীয়া আক্ৰমণক কঠোৰ ভাষাৰে নিন্দা কৰিছে। **আৰু**

৫। অৰলেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ এখন খেলত ভাৰতৰ আয়ুষ চেট্টীয়ে কিৰণ জৰ্জক পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি অযোধ্যা ভ্ৰমণ কৰিব। শ্ৰীমতী মুৰ্মু তিনিদিনীয়া ভ্ৰমণসূচীৰে উত্তৰ প্ৰদেশলৈ গৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰথমে অযোধ্যাত উপস্থিত হৈ শ্ৰীৰাম জন্মভূমি মন্দিৰ দৰ্শন কৰিব। তেওঁ ৰাম জন্মভূমি মন্দিৰৰ বিভিন্ন স্থান দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব আৰু শ্ৰীৰাম যন্ত্ৰ স্থাপনা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত তেওঁ মথুৰা বৃন্দাবনলৈ ৰাওনা হ'ব আৰু তাত তেওঁ কেইবাটাও কাৰ্যসূচীত ভাগ লোৱাৰ লগতে মন্দিৰ দৰ্শন আৰু পূজা-অৰ্চনা আগবঢ়াব। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি হিন্দু নৱবৰ্ষৰ হিচাপে পৰিচিত চৈত্ৰ নৱৰাত্ৰিৰ প্ৰথম দিনা অযোধ্যাত ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাম মন্দিৰত বৈদিক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব আৰু মন্দিৰৰ দ্বিতীয় মহলাত শ্ৰীৰাম যন্ত্ৰ প্ৰতিষ্ঠা কাৰ্যসূচীত উপস্থিত থাকিব।

০০০০০

চৰকাৰে টোল ওজৰ-আপত্তি আৰু ডিজিটেল বিধি বলৱৎকৰণ শক্তিশালী কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ঘাইপথ মাছুল বিধি ২০২৬ সংশোধনৰ কাৰণে অধিসূচনা জাৰি কৰিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি এই সংশোধনে অনাদায় উপভোক্তা মাছুল সন্দৰ্ভত এটা সংগঠিত পুনৰুদ্ধাৰ প্ৰক্ৰিয়াৰ সুবিধা প্ৰদান কৰিব। ইয়াৰ জৰিয়তে টোল সংগ্ৰহ ডিজিটেল বিধি বলৱৎকাৰণ প্ৰক্ৰিয়া অধিক শক্তিশালী হ'ব। ইয়াৰ উদ্দেশ্য হৈছে ৰাষ্ট্ৰীয় ঘাইপথত উপভোক্তা মাছুলৰ স্বচ্ছ আৰু সুলভ আদায় নিশ্চিত কৰা।

০০০০০

নিৰ্বাচন আয়োগে পশ্চিমবংগত প্ৰশাসন আৰু আৰক্ষী বিষয়াসকলৰ ব্যাপক ৰদ বদল কৰিছে। আয়োগে ১১ গৰাকী জিলা ন্যায়াধীশক তেওঁলোকৰ নিজ নিজ পদৰ পৰা অপসাৰণ কৰিছে। এই বিষয়াকেইগৰাকী জিলা নিৰ্বাচনী বিষয়া হিচাপেও সেৱা আগবঢ়াই আছিল। কোচবিহাৰ, জলপাইগুৰি,

মাল্দা, মুৰ্চিদাবাদ, নাদিয়াৰ লগতে দক্ষিণ আৰু উত্তৰ ২৪ পৰগনা জিলাৰ বিষয়াসকলক সালসলনি কৰা হৈছে। ইয়াৰ পূৰ্বে উপ আৰক্ষী পৰিদৰ্শক পৰ্যায়ৰ ৫ গৰাকী বিষয়াকো পদৰ পৰা অপসাৰণ কৰা হৈছে। নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত এই অপসাৰিত বিষয়াসকলক নিৰ্বাচনৰ সৈতে জড়িত কোনো কামৰেই দায়িত্ব দিয়া নহ'ব বুলি আয়োগে প্ৰকাশ কৰে।

০০০০০

ভাৰতৰ কৃষি বীমা কোম্পানী- এ আই চি লিমিটেডে মহিলা কৃষকসকলৰ সৱলীকৰণ তথা দেশৰ কৃষি খণ্ডত তেওঁলোকৰ অংশগ্ৰহণক উদগনি দিয়াৰ উদ্দেশ্যে কৃষি সখী উদ্যম মুকলি কৰিছে। খাদ্য আৰু কৃষি সংস্থাৰ দ্বাৰা ২০২৬ বৰ্ষটো আন্তঃৰাষ্ট্ৰীয় মহিলা কৃষি বৰ্ষ হিচাপে ঘোষণা কৰাৰ অনুৰূপভাৱে এই উদ্যম মুকলি কৰা হৈছে। বিত্ত মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে এই উদ্যমত ভাৰতীয় কৃষি বীমা কোম্পানীৰ মুখ্য কাৰ্যালয় আৰু আঞ্চলিক কাৰ্যালয়সমূহত আয়োজন কৰিবলগীয়া গাঠনিগত মাহিলী কাৰ্যসূচীসমূহক অন্তৰ্ভুক্ত কৰা হৈছে। কৃষি সখী উদ্যমৰ উদ্দেশ্য হৈছে মহিলা কৃষকসকলক স্বীকৃতি দিয়াৰ লগতে তেওঁলোকৰ সৱলীকৰণ আৰু দেশৰ কৃষি খণ্ডৰ ব্যাপক উন্নয়নৰ বাবে মহিলা কৃষকৰ অংশগ্ৰহণ সুনিশ্চিত কৰা।

০০০০০

এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে আজি পশ্চিম এছিয়া আৰু ভাৰতৰ মাজত নিৰ্ধাৰিত আৰু অনিৰ্ধাৰিত মুঠ ৪৮ খন বিমানৰ চলাচল কৰিব। দুয়োটা বিমান কোম্পানীয়ে ভাৰত আৰু জেদ্দাহৰ মাজত চলাচল কৰা ১৬ খন বিমানকে ধৰি জেদ্দাহ আৰু মাস্কাটলৈ নিয়মিত সেৱা অব্যাহত ৰাখিব। এয়াৰ ইণ্ডিয়াই দিল্লী আৰু মুম্বাইৰ পৰা একোখনকৈ বিমান চলাচল কৰাৰ লগতে এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ এখনকৈ বিমান বেংগালুৰু, হায়দৰাবাদ আৰু কোঝিকোড়েৰ পৰা উৰা মাৰিব।

০০০০০

নতুন দিল্লীত থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি দলৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ সভাপতি নীতিন নবীন আৰু অন্যান্য জ্যেষ্ঠ নেতাসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। পুডুচেৰীৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰাৰ উদ্দেশ্যে এই বৈঠকত অনুষ্ঠিত হয়।

০০০০০

কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অৰামে কালি নতুন দিল্লীত ভাৰত জনজাতি মহোৎসৱ মুকলি কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীঅৰামে কয়, যে এই মহোৎসৱে দেশৰ জনজাতি সম্প্ৰদায়সমূহৰ চহকী পৰম্পৰা আৰু স্থায়িত্বক প্ৰতিফলিত কৰিছে। মহোৎসৱৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই মহোৎসৱে জনজাতি কলা, শিল্প, বস্ত্ৰ, খাদ্য সম্ভাৰ আদি প্ৰদৰ্শনৰ এখন ৰাষ্ট্ৰীয় মঞ্চ প্ৰদান কৰাৰ লগতে জনজাতি কলা-কুশলী আৰু উদ্যোগীসকলৰ বাবে বজাৰৰ সংযোগী শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰে। জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবাৰৰ এই মহোৎসৱত ২০০ খন বিপণী থকাৰ লগতে ৩০০ৰো অধিক কলা-কুশলী ইয়াত অংশগ্ৰহণ কৰিছে। মহোৎসৱৰ অংশ হিচাপে আজিৰে পৰা ভাৰত জনজাতি ব্যৱসায়িক সন্মিলন অনুষ্ঠিত হ'ব। অহা ৩০ মাৰ্চত এই মহোৎসৱৰ সামৰণি পৰিব।

০০০০০

সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই কাটাৰৰ সৈতে সহযোগিতাৰে ইৰানে স্থাপন কৰা দক্ষিণ পাৰ্চ গেছ ক্ষেত্ৰত হোৱা শেহতীয়া আক্ৰমণক কঠোৰ ভাষাৰে নিন্দা কৰিছে। ইৰানে আমেৰিকা আৰু ইজৰাইলে এই আক্ৰমণ কৰা বুলি অভিযোগ কৰিছে। ইৰানৰ এই শক্তি আন্তঃগাঁথনি দক্ষিণ পাৰ্চ গেছ ক্ষেত্ৰত কৰা আক্ৰমণে গোলকীয় শক্তি সুৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যক্ষ ভাবুকিৰ সৃষ্টি কৰিছে বুলি সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰ্যালয়ে এখন বিবৃতিযোগে মন্তব্য কৰিছে। মন্ত্ৰ্যালয়ে কয়, যে শক্তি আন্তঃগাঁথনিসমূহক কৰা আক্ৰমণে আঞ্চলিক স্থিৰতাৰ প্ৰতি ভাবুকি সৃষ্টি কৰাই নহয়, পৰিবেশ সামুদ্ৰিক সুৰক্ষা, নাগৰিকৰ জীৱনৰ প্ৰতিও তীব্ৰ ভাবুকি সৃষ্টি কৰিব। সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই সকলো পক্ষকে এনে গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিসমূহত আক্ৰমণ নকৰিবলৈ আহ্বান জনোৱাৰ লগতে উপ-সাগৰীয় অঞ্চলত সুৰক্ষা আৰু স্থিৰতা বৰ্তাই ৰখাৰ বাবে আন্তঃৰাষ্ট্ৰীয় আইন মানি চলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই ১০০টা উন্নত মানৰ ঔদ্যোগিক অঞ্চল বিকশাই তোলাৰ উদ্দেশ্যে ৩৩ হাজাৰ ৬৬০ কোটি টকা আবণ্টনেৰে ভাৰত ঔদ্যোগিক বিকাশ আঁচনিত অনুমোদন জনাইছে। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত নতুন দিল্লী সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে বিশ্বমানৰ ঔদ্যোগিক আন্তঃগাঁথনি বিকশাই তোলাৰ লগতে নিৰ্মাণ খণ্ডৰ সম্ভাৱনাক উন্মোচন কৰি দেশৰ বিকাশৰ গতি ত্বৰান্বিত কৰাই এই আঁচনিৰ উদ্দেশ্যে। আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যৰে দেশৰ কৃষকসকলৰ কল্যাণৰ দিশটো শক্তিশালী কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় মন্ত্ৰীসভাই ভাৰতৰ কপাহ নিগমলৈ ২০২৩-২৪ বৰ্ষৰ বাবে এহেজাৰ ৭১৮ কোটি টকাৰো অধিক ন্যূনতম সমৰ্থন মূল্যৰ পুঁজিত অনুমোদন জনাইছে। মন্ত্ৰীগৰাকীয়ে কয় যে এই পুঁজিয়ে দেশৰ কপাহ উৎপাদনকাৰী কৃষকসকলক পোনপটীয়াকৈ উপকৃত কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে কপাহ কৃষকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে, বিশেষকৈ ন্যূনতম সমৰ্থন মূল্যতকৈ বজাৰৰ মূল্য নিম্ন হোৱাৰ সময়খিনিত তেওঁলোকক সকাহ দিয়াৰ উদ্দেশ্যে ন্যূনতম সমৰ্থন মূল্যৰ ব্যৱস্থা কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰায় এহেজাৰ ৫০০ মেগাৱাট ক্ষমতাসম্পন্ন ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ উদ্দেশ্যে দুহেজাৰ ৫৮৪ কোটি টকাতকৈও অধিক ব্যয়ৰে ২০২৬-২৭ বৰ্ষৰ পৰা ২০৩০-৩১ বৰ্ষলৈ ক্ষুদ্ৰ জলবিদ্যুৎ বিকাশ আঁচনিত অনুমোদন জনাইছে।

ooooo

অৰলেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ এখন খেলত ভাৰতৰ আয়ুষ চেট্টীয়ে কিৰণ জৰ্জক ১৭-২১, ২১-১০, ২১-১৭ গেমত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। মহিলাৰ ছিংগলছত মালবিকা বান্সোৰ, আনমোল খাৰ্ব, ঈষাৰাণী বৰুৱা আৰু তন্বী শৰ্মাইও প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইপিনে পুৰুষৰ ডাবলছত ভাৰতৰ অৰ্জুন মাডাথিল ৰামচন্দ্ৰন আৰু হৰিহৰণ আমছাকৰুণান যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি সন্ধিয়া হ'বলগীয়া পুৰুষৰ ছিংগলছৰ এখন প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আয়ুষ চেট্টী জাপানৰ ৰাই অকিম'ট'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত